**মেচাৰ্ছ ইণ্টাৰনেশ্যনেল ফ্ৰেন্সাইজেছ প্ৰাইভেট লিমিটেডৰ শ্ৰমিকৰ হৈ বোম্বাই শ্ৰমিক সংঘ**

**বনাম**

**মেচাৰ্ছ ইণ্টাৰনেশ্যনেল ফ্ৰেন্সাইজেছ প্ৰাইভেট লিমিটেড**

৩ নৱেম্বৰ,১৯৬৫

[পি.বি.গজেন্দ্ৰগডকৰ,মুখ্য ন্যায়াধীশ কে. এন. ৱানচু, এম. হিদায়তুল্লা আৰু এম. ৰামাস্বামী,মহামহিম ন্যায়াধীশ]

ঔদ্যোগিক বিবাদ-বিবাহ সম্পন্ন হোৱাৰ ক্ষেত্ৰত স্বয়ংক্ৰিয়ভাৱে মহিলাৰ নিয়োগ অৱসান কৰাৰ নিয়ম-নিয়মৰ বৈধতা-ঔদ্যোগিক বিচাৰৰ দ্বাৰা হস্তক্ষেপ কৰা উচিতনে ।

প্ৰতিবাদীপক্ষৰ সংস্থাটোৰ পেকিং আৰু লেবেলিং বিভাগত এটা নিয়ম আছিল যে যদি এগৰাকী মহিলা কৰ্মচাৰীয়ে বিবাহপাশত আবদ্ধ হয় তেন্তে তেওঁৰ চাকৰি স্বয়ংক্ৰিয়ভাৱে সমাপ্ত হ'ব। আপীলকাৰী সংঘই এই প্ৰশ্নটোৰ সন্দৰ্ভত এক ঔদ্যোগিক বিবাদ উত্থাপন কৰিছিল আৰু ইয়াক মহাৰাষ্ট্ৰৰ ঔদ্যোগিক ন্যায়াধিকৰণলৈ প্ৰেৰণ কৰা হৈছিল। ন্যায়াধিকৰণে নিয়মটো ন্যায়সংগত বুলি ৰায়দান কৰাত আপীলকাৰীয়ে বিশেষ অনুমোদন আবেদনৰে এই ন্যায়ালয়লৈ আহিছিল।

উক্ত নিয়মটোৰ বাবে প্ৰতিবাদীপক্ষৰ হৈ দিয়া যুক্তি এয়ে আছিল যে নিয়মটো প্ৰচলিত থকা নিৰ্দিষ্ট বিভাগত দলীয় কাৰ্যৰ প্ৰয়োজন আছিল যাৰ বাবে নিয়মীয়া উপস্থিতিৰ প্ৰয়োজন আছিল আৰু বিবাহিত মহিলাসকলে, স্পষ্ট কাৰণত, নিয়মিতভাৱে উপস্থিত থাকিব বুলি আশা কৰিব নোৱাৰি। প্ৰতিবাদীপক্ষৰ হৈ এইবুলিও বিবৃতি প্ৰদান কৰা হৈছিল যে নিযুক্তিৰ বিষয়ত অৰ্থাৎ যেতিয়া নিয়োগকৰ্তাই নতুন শ্ৰমিকৰ নিযুক্তি প্ৰদান কৰে তেনে ক্ষেত্ৰত কোনো চৰ্ত আৰোপ কৰাৰ অধিকাৰত ঔদ্যোগিক বিচাৰৰ দ্বাৰা হস্তক্ষেপ কৰা উচিত নহয়।

ভাৰতীয় প্ৰশাসনিক সেৱা (নিযুক্তি) নিয়মাৱলী,১৯৬৪ৰ ৫(৩) নং নিয়মে একে ধৰণৰ পৰিস্থিতি বহন কৰিছে বুলি উল্লেখ কৰা হৈছিল।

ৰায়দানঃ (ক) অবিবাহিত মহিলা বা বিধৱাতকৈ বিবাহিত মহিলাৰ অনুপস্থিত থকাৰ সম্ভাৱনা বেছি হ'ব বুলি দেখুৱাবলৈ একো তথ্য নাছিল। পাৰ্থক্য কেৱল এইটোৱেই আছিল যে বিবাহিত মহিলাসকলে প্ৰসূতি ছুটী বিচাৰিব। কেইগৰাকীমান অতিৰিক্ত মহিলাক ছুটী সংৰক্ষণ কৰ্মী হিচাপে ৰাখি ইয়াৰ ব্যৱস্থা কৰিব পাৰি। দক্ষতাৰ ক্ষেত্ৰত এইটো ক’ব নোৱাৰি যে বিবাহিত মহিলাসকল অবিবাহিত মহিলা বা বিধৱা মহিলাসকলতকৈ কম দক্ষ হ’ব। প্ৰতিষ্ঠানটোৰ অৰ্থনৈতিক স্বাৰ্থতো কোনো গুৰুত্বপূৰ্ণ প্ৰভাৱ পৰা নাছিল। সেয়েহে, ভেষজ প্ৰতিষ্ঠানটোৰ এটা বিভাগত এনে নিয়ম অব্যাহত ৰখাৰ কোনো সঠিক আৰু বিশ্বাসযোগ্য কাৰণ নাছিল। অন্যান্য প্ৰতিষ্ঠানতো এনে নিয়ম থকা তথ্যটোৰ কোনো যুক্তি নাথাকিব যদিহে নিয়মটোক ইয়াৰ নিজৰ গুণাগুণৰ ওপৰত ন্যায়সংগত কৰিব নোৱাৰি। সেয়েহে এই নিয়মটো বাতিল কৰিবলগীয়া হৈছিল। [৪৯৫ই, জি-এইছ; ৪৯৬এ-বি, ডি]

**(**ii) শ্ৰমিকৰ ওপৰত এজন নিয়োগকৰ্তাৰ পচন্দৰ যিকোনো চৰ্ত আৰোপ কৰাৰ সম্পূৰ্ণ স্বাধীনতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ ইতিমধ্যে বহুত বিলম্ব হৈছে। শ্ৰমিকৰ নিযুক্তিৰ চৰ্তসমূহ বিবেচনা কৰাৰ উদ্দেশ্যে আৰু প্ৰয়োজন সাপেক্ষে সেইবোৰ সলনি কৰাৰ উদ্দেশ্যে ঔদ্যোগিক ৰায় সদায়েই প্ৰযোজ্য । [৪৯৬ ই-এফ]

(iii) ভাৰতীয় প্ৰশাসনিক সেৱা (নিযুক্তি) নিয়মাৱলীৰ ৫ (৩) নং নিয়মত কেৱল এইটো উল্লেখ কৰা হৈছে যে যেতিয়া এগৰাকী অবিবাহিত মহিলাই বিবাহ সম্পন্ন কৰে তেতিয়া পৰৱৰ্তী সময়ত সেৱাৰ দক্ষতা বজাই ৰখাৰ প্ৰয়োজন সাপেক্ষে কেন্দ্ৰীয় চৰকাৰে তেওঁক পদত্যাগ কৰিবলৈ আহ্বান কৰিব পাৰে। এই নিয়মে অবিবাহিত মহিলাসকলক প্ৰতিবাদীপক্ষৰ ক্ষেত্ৰত হোৱাৰ দৰে বিবাহৰ ক্ষেত্ৰত পদত্যাগ কৰিবলৈ বাধ্য নকৰে। [৪৯৭ বি-চি]

দেৱানী আপীল ক্ষেত্ৰাধিকাৰ : দেৱানী আপীল নং ২৭৪/১৯৬৪

মহাৰাষ্ট্ৰস্থিত ঔদ্যোগিক ন্যায়াধিকৰণৰ প্ৰসংগ (ঔ.ন্যা.) নং ৫৯/১৯৬৩-ত ১৯৬৩ চনৰ ৩১তাৰিখৰ ৰায়দানৰ পৰা বিশেষ অনুমতি আবেদনৰ দ্বাৰা আপীল।

আপীলকাৰীৰ হৈ এছ. বি. নায়ক আৰু কে. আৰ. চৌধুৰী।

প্ৰতিবাদীপক্ষ নং ১ ৰ হৈ এছ. ভি. গুপ্তে, মহান্যায়ধিকৰ্তা, জি. বি. পাই, জে. বি. দাদাচাঞ্জি, অ'. চি. মাথুৰ আৰু ৰবীন্দৰ নাৰায়ণ ।

প্ৰতিবাদীপক্ষ নং ২ ৰ হৈ এ. এছ. আৰ. ছাৰি, কে. ৰাজেন্দ্ৰ চৌধুৰী, এম. এছ. কে. আয়েংগাৰ আৰু এম. আৰ. কে. পিল্লাই ।

মধ্যস্থতাকাৰীৰ হৈ এ. এছ. আৰ. ছাৰি, এম. কে. ৰামমূৰ্তি।

ন্যায়ালয়ৰ ৰায় প্ৰদান কৰিছিল ন্যায়াধীশ ৱানচুৱে। বিশেষ অনুমোদন আবেদনৰ জৰিয়তে কৰা এই আপীলত উত্থাপন কৰা একমাত্ৰ প্ৰশ্নটো হ'ল প্ৰতিবাদীপক্ষৰ প্ৰতিষ্ঠানৰ সেৱাচৰ্তৰ যুক্তিযুক্ততা, যাৰ অন্তৰ্গত এটা নিৰ্দিষ্ট বিভাগৰ অবিবাহিতা মহিলাসকলে বিয়া হোৱাৰ পিছত পদত্যাগ কৰিব লগা হয়। শ্ৰমিকসকলৰ হৈ আপীলকাৰী সংঘই এই চৰ্ত সন্দৰ্ভত এক বিতৰ্ক উত্থাপন কৰিছিল আৰু তলত উল্লেখ কৰা ধৰণে মহাৰাষ্ট্ৰৰ ঔদ্যোগিক ন্যায়াধিকৰণক অৱগত কৰা হৈছিলঃ

"বিয়া হোৱাৰ পিছত মহিলাসকলে কোম্পানীৰ চাকৰি এৰিব লাগিব বুলি মহিলাসকলৰ ওপৰত থকা বৰ্তমানৰ নিষেধাজ্ঞাটো আঁতৰাব লাগে"।

প্ৰতিবাদীপক্ষ হৈছে এক ভেষজ প্ৰতিষ্ঠান। পৰিলক্ষিত হৈছে যে প্ৰতিবাদীপক্ষৰ প্ৰতিষ্ঠানত এনে এক নিয়ম বলৱৎ আছে যাৰ অন্তৰ্গত এগৰাকী মহিলা কৰ্মচাৰীয়ে বিয়া কৰালে তেওঁৰ সেৱা স্বয়ংক্ৰিয়ভাৱে সমাপ্ত হোৱা বুলি গণ্য কৰা হয়। এইটো প্ৰতীয়মান হৈছে যে সেই অঞ্চলৰ অন্যান্য ভেষজ প্ৰতিষ্ঠানসমূহত এনে নিয়ম বলৱৎ হৈ আছে আৰু বিষয়টো আন ভেষজ প্ৰতিষ্ঠানসমূহৰ সন্দৰ্ভত বিচাৰৰ বাবে ঔদ্যোগিক ন্যায়াধিকৰণৰ আগত দুবাৰকৈ উত্থাপন

হৈছিল আৰু দুয়োবাৰতে এনে নিয়ম  সন্দৰ্ভত শ্ৰমিকসকলৰ প্ৰত্যাহ্বান বিফল হৈছিল। প্ৰথমবাৰ বুটছ পিউৰ ড্ৰাগ কোম্পানী (ইণ্ডিয়া) লিমিটেড বনাম তেওঁলোকৰ শ্ৰমিকসকলৰ মাজত বিবাদ হৈছিল আৰু  ১৯৫৬ চনত একেধৰণৰ নিয়ম বজাই ৰখা হৈছিল। দ্বিতীয়বাৰ বিবাদটো *ছাণ্ডোজ (ইণ্ডিয়া) লিমিটেড বনাম ইয়াৰ অধীনত নিয়োজিত শ্ৰমিকসকলৰ* মাজত হৈছিল।  এই নিয়মৰ সন্দৰ্ভত প্ৰতিবাদীপক্ষৰ  প্ৰতিষ্ঠানত  আন্দোলন হৈছিল আৰু অৱশেষত ১৯৬৩ চনৰ ফেব্ৰুৱাৰীত বৰ্তমানৰ প্ৰসংগটো উত্থাপন কৰা হৈছিল। ন্যায়াধিকৰণে পূৰ্বৰ ছেণ্ডোজ লিমিটেডৰ গোচৰটোৰ সিদ্ধান্ত অনুসৰণ কৰিছিল আৰু নিয়মটো বাতিল কৰাৰ যুক্তি নাকচ কৰিছিল। আপীলকাৰীয়ে বিশেষ অনুমোদন আবেদনৰ জৰিয়তে এই ন্যায়ালয়ত আপীল কৰিবলৈ বিশেষ অনুমোদন লাভ কৰে; আৰু এনেদৰেই বিষয়টো আমাৰ সন্মুখলৈ আহিছে।

সাধাৰণতে আমি অবিবাহিত মহিলাসকলে বিবাহৰ ক্ষেত্ৰত সেৱা ত্যাগ কৰাৰ দৰে নিয়মৰ কোনো কাৰণ দেখা নাপাওঁ, বিশেষকৈ যেতিয়া আন উদ্যোগসমূহত এনে কোনো নিয়ম নাই বুলি বিতৰ্ক নহয়। এইটোও বিতৰ্কৰ বিষয় নহয় যে স্বয়ং প্ৰতিবাদীপক্ষৰ  প্ৰতিষ্ঠানৰ  আন বিভাগসমূহত এনে কোনো নিয়ম নাই আৰু কেৱল এটা বিভাগতহে এই নিয়ম বলৱৎ আছে। ইয়াক কেৱল তেতিয়াহে সমৰ্থন কৰিব পাৰি যদিহে প্ৰতিবাদীপক্ষই দেখুৱায় যে ভেষজ প্ৰতিষ্ঠানটোৰ এই বিশেষ বিভাগটোত এনে নিয়মৰ আৱশ্যকতাৰ সঠিক আৰু বিশ্বাসযোগ্য কাৰণ আছে।

এই নিয়মটো বলৱৎ কৰাৰ বাবে প্ৰতিবাদীপক্ষৰ হৈ দিয়া একমাত্ৰ যুক্তিটো এয়ে আছিল যে নিয়মটো প্ৰচলিত থকা নিৰ্দিষ্ট বিভাগত দলীয় কাৰ্যৰ  প্ৰয়োজন আছে যাৰ বাবে নিয়মীয়া উপস্থিতিৰ প্ৰয়োজন আৰু বিবাহিত মহিলাসকলে, স্পষ্ট কাৰণত, নিয়মিতভাৱে উপস্থিত থাকিব বুলি আশা কৰিব নোৱাৰি আৰু অবিবাহিত মহিলা বা বিধৱাসকলৰ তুলনাত বিবাহিত মহিলাৰ মাজত অধিক

মাত্ৰাত অনুপস্থিতিৰ অভ্যাস থাকে। অবিবাহিত মহিলা বা বিধৱাসকলৰ বিৰুদ্ধে এই ধৰণৰ কোনো বাধা নাই।

এই ধৰণৰ নিয়ম বাহাল ৰখাৰ এই কাৰণবোৰে আমাক প্ৰভাৱিত নকৰে। এই বিভাগৰ কামটো কঠিন নহয় কাৰণ বিভাগটো পেকিং কৰা, লেবেলিং কৰা আৰু বটলত ভৰোৱা এই ধৰণৰ অন্যান্য কামৰ সৈতে সম্পৰ্কিত যিটো ভেষজ সামগ্ৰী নিৰ্মাণ কৰাৰ পিছত কৰিব লাগে। কামটো দলবদ্ধভাৱে কৰিব লগাৰ কাৰণে এই কামটো বিবাহিত মহিলাসকলে কৰিব নোৱাৰিব বুলি আমি ভাবিব নোৱাৰো । আমি এইটোও অনুভৱ কৰোঁ যে অবিবাহিত মহিলা বা বিধৱাতকৈ বিবাহিত মহিলাৰ অনুপস্থিত থকাৰ সম্ভাৱনা বেছি হ'ব বুলি দেখুৱাবলৈ একো তথ্য নাই। যদি শিশুৰ উপস্থিতিক বিবাহিত মহিলাৰ অধিক অনুপস্থিতিৰ বাবে দায়ী বুলি ক’ব পাৰি তেন্তে সন্তান থকা বিধৱাৰ ক্ষেত্ৰতো এয়া কম বেছি পৰিমাণে হ’ব।

কামটো দলবদ্ধভাৱে কৰিব লগাৰ কাৰণে সেই সকলো শ্ৰমিকৰ উপস্থিতিৰ প্ৰয়োজন আছে, আমাৰ মতে বিবাহিত মহিলাৰ ক্ষেত্ৰত কোনো অযোগ্যতা নাই। এইটো বিতৰ্কিত হ'ব নোৱাৰে যে প্ৰতিবাদীপক্ষৰ নিয়ম অনুসৰি আনকি অবিবাহিত মহিলা বা বিধৱাও ছুটীৰ অধিকাৰী অৰ্থাৎ তেওঁলোকে এই ছুটীৰ সুবিধা লাভ কৰে। এফালে বিবাহিত মহিলা আৰু আনফালে অবিবাহিত মহিলা তথা বিধৱাৰ মাজত দেখা পোৱা অনুপস্থিতিৰ ক্ষেত্ৰত একমাত্ৰ পাৰ্থক্যটো হৈছে মাতৃত্বকালীন ছুটীৰ বিষয়টো যিটো বিবাহিত মহিলাৰ বাবে উপলব্ধ এক অতিৰিক্ত সুবিধা। কেৱল এই ক্ষেত্ৰতহে অবিবাহিত মহিলা আৰু বিধৱাতকৈ বিবাহিত মহিলাৰ অনুপস্থিত থকাৰ সম্ভাৱনা অধিক। কিন্তু আমাৰ মতে কেইগৰাকীমান অতিৰিক্ত মহিলাক ছুটীজনিত আৰক্ষিত শ্ৰমিক হিচাপে ৰাখি এনে অনুপস্থিতি সহজে পূৰণ কৰিব পাৰি আৰু এনেদৰে উপৰোক্ত কাৰণবোৰ বৰ্তমানৰ দৰে এনে এক কঠোৰ নিয়মৰ ভিত্তি হ'ব নোৱাৰে য'ত এগৰাকী অবিবাহিত মহিলাই বিবাহপাশত আবদ্ধ হোৱাৰ লগে লগে পদত্যাগ কৰাৰ প্ৰয়োজন হয়। আমি বুজিব পৰা নাই যে কেনেদৰে এইটো ক'ব পাৰি যে এয়া

প্ৰভাৱশালী কাৰ্যকৰীকৰণৰ স্বাৰ্থত আৰু কোম্পানীৰ অৰ্থনৈতিক স্বাৰ্থত বিবাহিত মহিলাক নিযুক্তি নিদিয়াটো প্ৰয়োজনীয়।

প্ৰসৱকালীন ছুটীৰ প্ৰশ্নৰ বাহিৰে কৰ্মক্ষেত্ৰত বিশুদ্ধ দক্ষতাৰ ক্ষেত্ৰত অবিবাহিত মহিলা বা বিধৱাসকলতকৈ বিবাহিত মহিলাসকল কম দক্ষ হ'ব বুলি ক'ব নোৱাৰি। প্ৰতিষ্ঠানটোৰ অৰ্থনৈতিক স্বাৰ্থ সন্দৰ্ভত এনে কিনো পাৰ্থক্যৰ সূত্ৰপাত হ'ব সেইটো আমি প্ৰত্যক্ষ কৰাত ব্যৰ্থ হৈছো কিয়নো অবিবাহিত মহিলা বা বিবাহিত মহিলাৰ বেতনৰ পৰিমাণ সমান। আমি ইতিমধ্যে কোৱাৰ দৰে দুয়োটাৰ মাজৰ একমাত্ৰ পাৰ্থক্য হৈছে প্ৰসৱকালীন ছুটীৰ বাবে হোৱা প্ৰতিবন্ধকতা। কিন্তু সেই সন্দৰ্ভত প্ৰতিবাদীপক্ষই দাবী কৰে যে এই নিয়ম থকাৰ কাৰণ প্ৰসৱকালীন ছুটীৰ বাবে ইয়াৰ ওপৰত পৰা সৰু বোজা এটা পৰিহাৰ কৰাৰ ইচ্ছা নহয়। যদি সেইটোৱেই হয়, তেন্তে আমি এই ধৰণৰ নিয়মৰ এনে কোনো যুক্তি দেখিবলৈ নাপাওঁ, যাৰ অন্তৰ্গত এগৰাকী অবিবাহিত মহিলাই বিবাহপাশত আবদ্ধ হোৱাৰ লগে লগে পদত্যাগ কৰাৰ প্ৰয়োজন হয়। সেয়েহে আমাৰ অভিমত এয়ে যে ভেষজ প্ৰতিষ্ঠানটোৰ এটা বিভাগত এনে নিয়ম কিয় অব্যাহত থাকিব লাগে তাৰ কোনো সঠিক আৰু বিশ্বাসযোগ্য কাৰণ নাই। এনে ধৰণৰ নিয়ম এনেকুৱা অন্য প্ৰতিষ্ঠানত থকা কথাটোৰ যুক্তিযুক্ততা নাথাকিব যদিহে উক্ত নিয়মটোক ইয়াৰ নিজস্ব গুণাগুণৰ ওপৰত ন্যায্যতা প্ৰদান কৰিব নোৱাৰি।

তাৰ পিছত এইবুলি আহ্বান জনোৱা হয় যে নিযুক্তিৰ বিষয়ত অৰ্থাৎ যেতিয়া নিয়োগকৰ্তাই নতুন শ্ৰমিকৰ নিযুক্তি প্ৰদান কৰে তেনে ক্ষেত্ৰত কোনো চৰ্ত আৰোপ কৰাৰ অধিকাৰত ঔদ্যোগিক ৰায়ে হস্তক্ষেপ কৰা উচিত নহয়। এই সন্দৰ্ভত কেৱল এইটো ক'ব লাগিব যে এজন নিয়োগকৰ্তাই শ্ৰমিকৰ ওপৰত তেওঁ পচন্দ কৰা যিকোনো চৰ্ত আৰোপ কৰাৰ সম্পূৰ্ণ স্বাধীনতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ এতিয়া বহুত দেৰি হৈছে। শ্ৰমিকৰ নিযুক্তিৰ চৰ্তসমূহ বিবেচনা কৰাৰ উদ্দেশ্যে আৰু প্ৰয়োজন সাপেক্ষে সেইবোৰ সলনি কৰাৰ উদ্দেশ্যে

ঔদ্যোগিক ৰায় সদায়েই প্ৰযোজ্য হ'ব, যদিহে নিয়োগকৰ্তাই এনে এক অসাধাৰণ অৱস্থাক বিশ্বাসযোগ্য কাৰণসমূহৰ দ্বাৰা ন্যায়সংগত কৰিব নোৱাৰে।বৰ্তমানৰ গোচৰটোত প্ৰতিবাদীপক্ষই যিবোৰ কাৰণ আগবঢ়াই আহিছে আৰু যিবোৰ কাৰণ আগতে উল্লেখ কৰা দুয়োটা সিদ্ধান্তৰ আধাৰ আছিল বুলি প্ৰতিপন্ন হৈছে সেইবোৰে এনে এটা নিয়মৰ বাবে আমাৰ ওচৰত নিজকে পৰ্যাপ্ত বুলি অভিহিত নকৰে। সেয়েহে আমাৰ অভিমত এয়ে যে সামাজিক ন্যায়ৰ স্বাৰ্থত এনে নিয়ম বাতিল কৰা উচিত।

অৱশেষত এইটো আহ্বান কৰা হৈছে যে কিছুমান চৰকাৰী সেৱাত একে ধৰণৰ নিয়ম বিদ্যমান আৰু এই সন্দৰ্ভত ১৯৫৪ চনৰ ভাৰতীয় প্ৰশাসনিক সেৱা (নিযুক্তি) নিয়মাৱলীৰ ৫(৩)নং নিয়মৰ প্ৰতি আমাৰ মনোযোগ আকৰ্ষণ কৰা হৈছে। সেই নিয়মটোত এনেদৰে লিখা আছেঃ

"কোনো বিবাহিত মহিলাৰ সেৱাত নিযুক্তি পোৱাৰ অধিকাৰ নাথাকিব আৰু যেতিয়া সেৱাত নিযুক্ত এগৰাকী অবিবাহিত মহিলাই বিবাহ সম্পন্ন কৰে তেতিয়া পৰৱৰ্তী সময়ত সেৱাৰ দক্ষতা বজাই ৰখাৰ প্ৰয়োজন সাপেক্ষে কেন্দ্ৰীয় চৰকাৰে তেওঁক পদত্যাগ কৰিবলৈ আহ্বান কৰিব পাৰে।"

এইটো দেখা যাব যে ভাৰতীয় প্ৰশাসনিক সেৱাৰ এই নিয়মটো প্ৰতিবাদীপক্ষৰ প্ৰতিষ্ঠানত বলৱৎ কৰা নিয়মৰ দৰে অযোগ্য নহয়। ইয়াত কেৱল এইটো উল্লেখ কৰা হৈছে যে যেতিয়া সেৱাত নিযুক্ত এগৰাকী অবিবাহিত মহিলাই বিবাহ সম্পন্ন কৰে তেতিয়া পৰৱৰ্তী সময়ত সেৱাৰ দক্ষতা বজাই ৰখাৰ প্ৰয়োজন সাপেক্ষে কেন্দ্ৰীয় চৰকাৰে তেওঁক পদত্যাগ কৰিবলৈ আহ্বান কৰিব পাৰে।

সেয়েহে এই নিয়মে অবিবাহিত মহিলাক বিবাহৰ পিছত প্ৰতিবাদীপক্ষৰ প্ৰতিষ্ঠানত বলৱৎ কৰাৰ দৰে পদত্যাগ কৰিবলৈ বাধ্য নকৰে। যেতিয়া কেন্দ্ৰীয় চৰকাৰে বিবেচনা কৰে যে বিবাহৰ পৰিণতিত সংশ্লিষ্ট মহিলাগৰাকীৰ কাৰ্যদক্ষতা হ্ৰাস পাইছে তেতিয়াহে কেন্দ্ৰীয় চৰকাৰে তেওঁক পদত্যাগ কৰিবলৈ

আহ্বান জনাব পাৰে। প্ৰতিবাদীপক্ষৰ প্ৰতিষ্ঠানৰ ক্ষেত্ৰত বলৱৎ থকা নিয়মটোৱে অৱশ্যে মানি লয় যে কেৱল বিবাহৰ দ্বাৰা মহিলা শ্ৰমিকৰ কাৰ্যদক্ষতা হ্ৰাস পায় আৰু আমাৰ মতে এনে ধাৰণা ন্যায়সংগত নহয়। যি কি নহওক কেৱল তুলনাৰ উদ্দেশ্যে আমাৰ দৃষ্টিগোচৰ কৰা ভাৰতীয় প্ৰশাসনিক সেৱাৰ এই নিয়মটোৱে আমাৰ বৰ্তমানৰ গোচৰত থকা কঠোৰ নিয়মটোৰ ন্যায্যতা প্ৰদান নকৰে য'ত এগৰাকী অবিবাহিত মহিলাক বিবাহপাশত আবদ্ধ হোৱাৰ লগে লগে অব্যাহত কাৰ্যদক্ষতা বিবেচনা নকৰাকৈ পদত্যাগ কৰিবলৈ বাধ্য কৰা হয় ।

বৰ্তমানৰ নিয়মৰ সমৰ্থনত প্ৰতিবাদীপক্ষৰ হৈ আগবঢ়োৱা কাৰণবোৰ সাৱধানে বিবেচনা কৰি আমি এইবুলি অভিমত প্ৰকাশ কৰো যে এই কাৰণবোৰে এনে কঠোৰ নিয়মৰ ন্যায্যতা প্ৰদান নকৰে। সেয়েহে আমি আপীল অনুমোদন কৰিলো আৰু আলোচ্য নিয়মটো বৰ্তমান যি ৰূপত আছে সেই ৰূপত বাতিল কৰিবলৈ নিৰ্দেশ প্ৰদান কৰিলো । এই ৰায়দানৰ তাৰিখৰ পৰা বাতিলকৰণ কাৰ্যকৰী হ'ব, আপীলকাৰীসকলে প্ৰতিবাদীপক্ষৰ প্ৰতিষ্ঠানৰ পৰা তেওঁলোকৰ ব্যয় লাভ কৰিব।

আপীল অনুমোদন কৰা হ'ল।

অনুবাদকঃ শ্ৰী প্ৰবীণ হাজৰিকা,অধিবক্তা

পৰীক্ষণঃ দিতিমণি গগৈ, স্পেচিয়েল অফিচাৰ, অনুবাদ শাখা

*Disclaimer- The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.*

*"স্থানীয় ভাষা লৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে । ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৰেই সঠিক বুলি বিবেচিত হ'ব।"*